# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000


**Date : 26-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰগৰাকীয়ে আজি বৰাকৰ কেইখাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীভূমি জিলাৰ নিলাম বজাৰত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনায়।

শ্ৰীভূমিত আয়োজিত সংকল্প সভাখনত মন্ত্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী কৌশিক ৰায়, বিধায়ক বিজয় মালাকাৰ, কমলাক্ষ দে পুৰকায়স্থসহ জিলা বিজেপিৰ শীৰ্ষ নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ আৰু হাইলাকান্দিতো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীক দলীয় সমৰ্থকসকলে বিহু নাচেৰে আদৰণি জনোৱা হয়।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডাঃ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ক্ষমতা সম্পন্ন চিচি টিভি কেমেৰা স্থাপন কৰি ৰেল ক্ৰছিংসমূহৰ নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে বিভিন্ন মণ্ডলত ২৮ খন ক্ৰছিং গেটত চিচি টিভি কেমেৰা স্থাপন কৰা হৈছে। ইয়াৰে ভিতৰত আলিপুৰ দুৱাৰ মণ্ডলত ৪ টা, লামদিং মণ্ডলত ১৭ টা আৰু তিনিচুকীয়া মণ্ডলত ৭ টা চিচি টিভি কেমেৰা স্থাপন কৰা হৈছে। উত্তৰ

পূৰ সীমান্ত ৰেলৱে লগতে গুৱাহাটী ৰে'ল ষ্টেচনত এ আই চালিত চিচি কেমেৰা সংস্থাপন কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা অনুসৰি গুৱাহাটীৰ ৰে'ল ষ্টেচনত ১৩৪টা এ আই চালিত কেমেৰা প্ৰতিটো প্লেটফৰ্ম, জিৰণিকক্ষৰ লগতে ষ্টেচনটোৰ গুৰুত্বপূৰ্ণ স্থানত সংস্থাপন কৰা হৈছে। একেদৰে গুৱাহাটী ৰে'ল ষ্টেচনটোৰ ২০টা স্থানত পেনিক বুটাম লগোৱা হৈছে। এক কোটি ৩০ লাখ টকা ব্যয় সাপেক্ষে এই ব্যৱস্থা কৰা হৈছে বুলি জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হয়বৰগাঁও ষ্টেচনতো যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এ আই চালিত কেমেৰা সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। পৰৱৰ্তী সময়ত ৰাজ্যৰ আন আন স্থানত থকা গুৰুত্বপূৰ্ণ ৰে'লৱে ষ্টেচনত এ আই চালিত কেমেৰা সংস্থাপন কৰা হ'ব।

ooooo

এবিধ সামগ্ৰীক ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অসমৰ ৩ গৰাকী থলুৱা উদ্যমীৰ সংগ্ৰামৰ যাত্ৰা সামৰি আজি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত জে-ফৰটিন ৰেষ্টুৰেণ্ট ব্ৰেণ্ডৰ স্বত্তাধিকাৰী দেৱ কুমাৰ বৰ্মন, সুস্বাদ মিঠাতেল ব্ৰেণ্ডৰ স্বত্তাধিকাৰী সমৰজ্যোতি বেজবৰুৱা আৰু থলুৱাভাৱে কণী উৎপাদন ব্ৰেণ্ড বাহুবলীৰ স্বত্তাধিকাৰী আকাশ গগৈয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত তিনিওগৰাকী উদ্যমীয়ে প্ৰত্যাহ্বান নেওচি তেওঁলোকৰ এই সংগ্ৰামৰ আৰম্ভণি আৰু সফলতা সম্পৰ্কে আলোকপাত কৰে। ৰাজ্যখনৰ জনসাধাৰণক স্বাস্থ্য সন্মত আৰু যথাসম্ভৱ নিৰ্ভেজাল মিঠাতেল আগবঢ়োৱাৰ বাবে সুস্বাদ মিঠাতেল ব্ৰেণ্ড প্ৰতিষ্ঠাৰ আঁৰৰ কথাসমূহ উল্লেখ কৰি শ্ৰীবেজবৰুৱাই কয়, যে এই ক্ষেত্ৰত তেওঁ আকাংক্ষিত সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। একেদৰে জে ফৰটিনৰ স্বত্তাধিকাৰী শ্ৰীবৰ্মনে নিষ্ঠা সহকাৰে স্বাস্থ্য সন্মত খাদ্যৰ ব্যৱসায় গঢ়ি তুলি লাভ কৰা সফলতাৰ বিষয়ে জানিবলৈ দিয়ে। বাহুবলী কণীৰ স্বত্তাধিকাৰী শ্ৰীগগৈয়ে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধীকৰণে নিৰ্ধাৰণ কৰা মান বজাই ৰাখি দৈনিক গড়ে এক লাখ কণী উৎপাদন কৰাৰ লগতে কমেও এশ জন লোকক কৰ্মসংস্থাপন দিবলৈ সমৰ্থ হৈছে বুলি জানিবলৈ দিয়ে। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে মেঘালয়ৰ অবৈধ কয়লা খনন আৰু অবৈধ কোক প্ৰকল্প সংক্ৰান্তত ক'লাধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনত আজি অসম আৰু মেঘালয়ৰ ১৫ টা চৌহদত তালাচী চলায়। তালাচীৰ সময়ত নগদ এক কোটি ৫৮ লাখ টকা, মোবাইল ফোন, লেপটপ আৰু দুখন বাহন উদ্ধাৰ কৰা হয়। মেঘালয়ৰ চালাঙত ৰুজু কৰা এজাহাৰৰ ভিত্তিত তদন্তকাৰী সংস্থাটোৱে এই তালাচী চলোৱা বুলি জানিব পৰা গৈছে।

ooooo

গুৱাহাটী প্ৰেছ ক্লাৱৰ সভাপতি সুস্মিতা গোস্বামীৰ নেতৃত্বত ক্লাৱৰ এটা প্ৰতিনিধি দলে আজি সাংবাদিক সুৰক্ষা আইন আৰু আন কেইবাটাও বিষয় লৈ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। গুৱাহাটী প্ৰেছ ক্লাৱৰ দলটোৱে বিশেষকৈ কৰ্তব্যৰ সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বিষয়ে উত্থাপন কৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে সাংবাদিকসকলে প্ৰত্যাহ্বানৰ মাজেৰে কৰ্তব্য পালন কৰে আৰু তেওঁলোকৰ সমস্যাসমূহৰ প্ৰতি গুৰুত্ব দিয়া উচিত। গুৱাহাটী প্ৰেছ ক্লাৱে ৰাজ্যপালগৰাকীৰ ইতিবাচক সঁহাৰিৰ বাবে কৃতজ্ঞতা জনায়।

ooooo

আই পি এল  টি-২০ ক্রিকেট প্রতিযোগিতাত ইডেন গার্ডেনছত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে-কলকাতা নাইট ৰাইডাৰ্ছক  জয়ৰ বাবে ২০২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২০১ ৰাণ সংগ্ৰহ কৰে।

পাঞ্জাব কিংছ নিজৰ ৮ খন খেলৰ ৫ খনত জয়লাভ কৰি বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। কলকাতা নাইট ৰাইডাৰ্ছ ৮ খন খেলৰ ৩ খনত জয়লাভ কৰি সপ্তম স্থানত আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ